Total No. of Printed Pages—8

X/22/As

2022

ASSAMESE

(INDIAN LANGUAGE)

(NEW COURSE)

(FOR CANDIDATES WITH INTERNAL ASSESSMENT)

Full Marks : 80
Pass Marks : 24

(FOR CANDIDATES WITHOUT INTERNAL ASSESSMENT)

Full Marks : 100
Pass Marks : 30

Time : 3 hours

(FOR ALL CATEGORIES OF CANDIDATES)

General Instructions :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **15** are to be answered by all Candidates.

(iv) Question Nos. **16** to **21** are to be answered only by the **Candidates without Internal Assessment**.

(গদ্য ভাগ)

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে দিয়া (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ছাত্ৰৰ উন্নতিৰ ঘাই মন্ত্ৰ কি?

(খ) কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি?

(গ) সৰ্বপল্লী ৰাধাকৃষ্ণনে 'কালিয়দমন'ৰ কি আখ্যা দিছে?

(ঘ) সকলোকে বান্ধি থোৱা এনাজৰীডাল কি আছিল?

(ঙ) ত্ৰয়োদশ শতিকাত অসমলৈ অহা বহিৰাগত গোষ্ঠী কোনটো?

(চ) 'নিউটন আৰু সপ্তদশ শতিকাৰ বৌদ্ধিক বিপ্লৱ' প্ৰবন্ধটোৰ লেখক কোন?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ছাত্ৰ অৱস্থাত মনৰ গতি _____ হ'ব লাগে।

(খ) _____ সংস্কৃতিৰ মৰ্মস্থলী সুসংগঠিত আৰু টনকিয়াল বিধৰ আছিল।

(গ) সংস্কৃতিৰ _____ ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।

(ঘ) ভাৰত স্বাধীন হ'ল _____ চনৰ _____ আগষ্টত।

(ঙ) ১৫৬৪ চনত _____ৰ জন্ম হৈছিল।

(চ) _____ সেৱাই প্ৰকৃত নাৰায়ণ সেৱা।

৩। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ছাত্ৰ জীৱনৰ শিক্ষা জীৱন্ত সংসাৱৰ বিষয়ে শিক্ষা।

(খ) ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু।

(গ) এটা সময়ত অসমৰ আর্য-সংস্কৃতিতকৈ প্রাক্-আর্য সংস্কৃতিহে বেছি গুৰুত্বপূর্ণ আছিল।

(ঘ) 'এলমেজেষ্ট' গ্রন্থখনৰ ৰচক গেলিলিও।

(ঙ) বৃটিছ আহিল ইয়ণ্ডাবু সন্ধিৰ আগত।

(চ) আর্যবেদত দেৱী পূজাৰ উল্লেখ আছে।

৪। তলৰ যি কোনো **এটা** প্রশ্নৰ উত্তৰ লিখা : ৫

(ক) লেখক ডিম্বেশ্বৰ নেওগৰ মতে বর্তমান প্রচলিত শিক্ষাৰ দোষ কি কি? ছাত্রসকলে কি কি বিষয়ত জ্ঞান লাভ কৰি দেশসেৱাত ব্রতী হ'ব লাগে?

(খ) 'সভ্যতা' আৰু 'সংস্কৃতি' শব্দ দুটাৰ মাজৰ পার্থক্য বিচাৰ কৰা।

(গ) শিক্ষালাভৰ কালছোৱাত নিউটন কেনেধৰণৰ পৰিস্থিতিৰ সন্মুখীন হৈছিল, বুজাই লিখা।

(ঘ) ভাৰতীয় সংস্কৃতিৰ বিচিত্রতাৰ বিষয়ে পাঠ্যৰ আধাৰত আলোচনা কৰা।

(পদ্য ভাগ)

৫। তলৰ প্রশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ''নেৰিবা বান্ধব মোক জীৱনে মৰণে।'' কবিয়ে জীৱনে মৰণে নেৰিবৰ বাবে কাক অনুৰোধ কৰিছে?

(খ) 'জিকিৰ' শব্দটো কি শব্দৰ পৰা ওলাইছে?

(গ) 'সাগৰ দেখিছা' কবিতা-পুথিখন কোনে ৰচনা কৰিছিল?

(ঘ) 'দৃশ্যান্তৰ' কবিতাৰ কবিয়ে কিমান বছৰৰ পাছত বৃদ্ধ কুঁজা মানুহজনক লগ পাইছিল?

(ঙ) তোমাৰ পাঠ্যপুথিত থকা 'ৰৰগীত' কবিতাটি কি ৰাগত বন্ধা আছে?

(চ) 'নামঘোষা' কোনে ৰচনা কৰিছিল?

৬। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূলভাৱ চমুকৈ লিখা : ৫

(ক) ৰৰগীত

(খ) দৃশ্যান্তৰ

অথবা

'মোৰ দেশ মানুহৰ দেশ' কবিতাটিৰ মাজেৰে ভাৰতবর্ষত বিভিন্নতাৰ মাজত ঐক্য কেনেদৰে প্রকাশ পাইছে, আলোচনা কৰা। ৫

৭। তলত দিয়া যি কোনো **এটা** প্রশ্নৰ উত্তৰ লিখা : ৫

(ক) ''মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে-শালে শলৰ লগত দৰিকাৰ টপালি॥''

ওপৰত উল্লেখ কৰা কথাখিনিৰ অন্তর্নিহিত ভাৱটি বিশ্লেষণ কৰা।

(খ) ''ৰৰ শান্তিত আছো
এই পঁজাটিত''

কোনে, কিয় এইদৰে কৈছিল? কথাষাৰৰ অন্তর্নিহিত ভাৱ বহলাই লিখা।

(গ) তাৎপর্য ব্যাখ্যা কৰা :

এই দেশ ৰাখিব লাগিব,
এইখন আপোনৰ দেশ,
এইখন মৰমৰ দেশ,
এইখন মানুহৰ দেশ।

(দ্রুত পাঠ)

৮। তলত দিয়া যি কোনো **পাঁচটা** শব্দৰ অর্থ লিখা : ১×৫=৫

তাৎপর্যপূর্ণ; মেচেকা; ৰংচঙীয়া; মাধুর্য; ল'ৰা-মতীয়া; বিষয়বস্তু; কাকুতি; অবোধ; সাবালক।

৯। চমু টোকা লিখা (যি কোনো **দুটা**) : ২$\frac{১}{২}$×২=৫

(ক) খুঁটি-ৰৰশী

(খ) দীঘলীবাই

(গ) হেম শর্মা

(ঘ) ইলাৰাম দাস

১০। তলৰ যি কোনো **এটা** প্রশ্নৰ উত্তৰ লিখা : ৫

(ক) লেখক ড০ ভবেন্দ্রনাথ শইকীয়াই কাৰ স'তে মিলি ঘৰতে 'ফেন' এখন সাজিছিল? তেওঁলোকৰ ফেনখনৰ এটা চমু বর্ণনা দিয়া।

(খ) ''এইসকল লোক কেৱল শিক্ষক, অভিভাৱক আৰু পথপ্রদর্শকৰূপেই নহয়, একোটা চৰিত্র হিচাপেও মোৰ মনত জীয়াই আছে।'' লেখকে কিয় এইদৰে কৈছে? তেওঁ শিক্ষকসকলক কি ৰূপত দেখিছিল? নিজৰ ভাষাত চমুকৈ লিখা।

(গ) 'উদয়' নামৰ আলোচনীখনৰ বিষয়ে এটা চমু টোকা লিখা।

(ব্যাকৰণ ভাগ)

১১। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

মেঘালয়; মহোদয়; দেৱেশ্বৰ; সীমান্ত; অধি + ঈশ্বৰ; নমঃ + কাৰ; নিঃ + ৰোগ; সম + গতি; দিক + অন্ত।

১২। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ষত্ববিধি কি? উদাহৰণসহ ষত্ববিধিৰ চাৰিটা বিধি লিখা।

(খ) সন্ধি আৰু সমাসৰ পার্থক্যসমূহ উদাহৰণসহ বুজাই লিখা।

(গ) সূত্ৰ লিখি উদাহৰণ দিয়া (যি কোনো **দুটা**) : ২$\frac{১}{২}$×২=৫

বহুব্ৰীহি সমাস; স্ত্ৰী প্ৰত্যয়; বিশেষণ পদ; কাৰক; অব্যয় পদ।

১৩। অৰ্দ্ধ দিনৰ ছুটি বিচাৰি স্কুলৰ প্ৰধান শিক্ষকলৈ এখন আবেদনপত্ৰ লিখা (আবেদনত তোমাৰ নাম আৰু ঠিকনা উল্লেখ নকৰিবা)। ৫

অথবা

তোমাৰ এটি ভ্ৰমণৰ বর্ণনা দি বন্ধু বা বান্ধৱীলৈ এখন পত্ৰ লিখা (তোমাৰ নাম আৰু ঠিকনা উল্লেখ নকৰিবা)। ৫

১৪। অর্থ প্ৰকাশ পোৱাকৈ তলত দিয়া যি কোনো **পাঁচটা** খণ্ড-বাক্যৰে বাক্য-ৰচনা কৰা : ১×৫=৫

অজীণ-পাতকী; আটোম-টোকাৰি; উভৈনদী; খাই পাত ফলা; জয়জয়-ময়ময়; ডলাৰ বগৰী; আলাসৰ লাড়ু; কাণ বাগৰা; হাত দীঘল।

অথবা

তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) আঁঠুৱা চাই ঠেং মেলা।

(খ) গোৰ মাৰি গংগাত পেলোৱা।

(গ) হৰিণাৰ মাংসই বৈৰী।

১৫। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) তোমাৰ জীৱনৰ লক্ষ্য

(খ) মেঘালয়ৰ প্ৰাকৃতিক সৌন্দর্য্য

(গ) ইণ্টাৰনেট আৰু যুৱসমাজ

(ঘ) ড্ৰাগছ ঃ এক সামাজিক সমস্যা

(For Candidates without Internal Assessment)

১৬। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) ভূকেন্দ্ৰিক বিশ্বধাৰণাৰ প্ৰধান প্ৰবক্তা কোন?

(খ) অজন্তাৰ ছবিবোৰত প্ৰকাশ পোৱা ভাববস্তু দুটা কি কি?

(গ) কোনজনা সাহিত্যিক অসমীয়া সাহিত্যৰ বুৰঞ্জী-প্ৰণেতা হিচাপে পৰিচিত?

(ঘ) প্ৰাচীন কালৰে পৰা অসম দেশ কিহৰ বাবে প্ৰসিদ্ধ আছিল?

(ঙ) কিমান চনৰ পৰা কিমান চনলৈ অসমৰ বিদ্যালয়ত বঙালী ভাষা চলিছিল?

১৭। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) কৰিয়ো _____ মোক চৰণ কমলে।

(খ) কহয় _____ হৰি দাসকু দাস।

(গ) ভজো হেৰা মন _____ পাৱত।

(ঘ) _____ কৰা নাৰায়ণ ছোড় মোহপাশ।

(ঙ) মোৰ দেশ _____ দেশ।

১৮। 'মৈত্ৰী আৰু অহিংসাৰ শলিতা জ্বলোৱা' মানে কি? ৪

অথবা

ব্যাখ্যা কৰা (যি কোনো **এটা**) : ৪

(ক) ''পানী মৰে পিয়াহত অগ্নি মৰে জাৰত
খোদা ৰছুল লুকাই আছে মোঁমিনৰ আঁৰত।''

(খ) ''মৰিলে দাহ কৰিবলৈ
এজন মানুহ নাই।''

১৯। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) 'খনাজান'ৰ বিষয়ে এটা চমু টোকা লিখা।

(খ) ভীমৰ গাঁওখনৰ এটা চমু বৰ্ণনা দিয়া।

(গ) লেখক ভবেন্দ্রনাথ শইকীয়াই কেনেকৈ ফুটবল যোগাৰ কৰিছিল?

২০। তলত দিয়া যি কোনো **তিনিটাৰ** বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা : ১×৩=৩

আদি; আকাশ; উত্থান; তপত; বিখ্যাত।

২১। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **দুটা**) : ১×২=২

(ক) বৰষুণ নোহোৱা বতৰ

(খ) যি জুইত পুৰি নাযায়

(গ) একেজন গুৰুৰে শিষ্য

(ঘ) গৰু বন্ধা ঠাই

★ ★ ★